## ৮। পুৰুষ নিৰ্দেশক প্ৰত্যয়
## (Personal Definitives)

৮ : ১ অসমীয়া ভাষাত সম্বন্ধবাচক সংজ্ঞা শব্দৰ পিছত পুৰুষ অনুযায়ী বেলেগ বেলেগ প্ৰত্যয় ব্যৱহাৰ কৰা হয়। আন আন ভাষাতকৈ অসমীয়া ভাষাত ই বৈশিষ্ট্যপূৰ্ণ।

৮ : ২ বয়স আৰু সন্মান অনুযায়ী বেলেগ বেলেগ সম্বন্ধবাচক সংজ্ঞা শব্দ অসমীয়াত আছে।

Brother ভ্ৰাতৃ— অসমীয়াত নিজতকৈ সৰু হ'লে ভাই, ডাঙৰ হ'লে ককাই।

Sister ভগ্নী— অসমীয়াত নিজতকৈ সৰু হ'লে ভনী, ডাঙৰ হ'লে বাই।

Uncle —অসমীয়াত পিতাতকৈ সৰু ভাই হ'লে খুৰা (দাদা)।

মাকৰ ভাই হ'লে মামা, মোমাই, পিতাতকৈ ডাঙৰ ভাই হ'লে জেঠা, স্বামীতকৈ ডাঙৰ ভাই হ'লে জেঠোত, সৰু হ'লে দেবৰ। তেনেকৈ—

পেহা-পেহী, মহা-মাহী, খুৰা-খুৰী, ককা-আইতা, ককাই-বৌ, ভিনিহি-বাই, বৈনাই-ভনী, তাৱৈ-আমৈ, বোপাই, পিতাই-আই, মা বা মাই, পৈ-ঘৈণী, পো-জী, বোৱাৰী।

৮ : ৩ বয়স আৰু সন্মান অনুযায়ী ব্যৱহাৰ হোৱা বিভিন্ন সম্বন্ধবাচক সংজ্ঞা শব্দবোৰৰ পিছত বিভিন্ন পুৰুষ সংগতি ৰাখি কিছুমান চিন বা প্ৰত্যয় ব্যৱহাৰ কৰা হয়। সেইবোৰকে পুৰুষ নিৰ্দেশক (Personal Definitives) প্ৰত্যয় বোলে। যথা,

প্ৰথম পুৰুষৰ মোৰ বা আমাৰ 'পিতাই', 'পিতা', 'বোপাই' (My / Our father)।

দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থে তোৰ বা তহঁতৰ 'পিতাৰ' ('ৰ' যোগ হৈছে), সাধাৰণাৰ্থে তোমাৰ বা তোমালোকৰ 'পিতাৰা' (ৰা)।

তৃতীয়তে বা নাম পুৰুষত তাৰ বা সিহঁতৰ পিতাক (ক) ব্যৱহাৰ হয়।

প্ৰথম পুৰুষত সম্বন্ধ পদৰ পিছত কিছুমান সম্বন্ধবাচক সংজ্ঞা শব্দত 'আই', দ্বিতীয় পুৰুষৰ অনাদৰ বা তুচ্ছাৰ্থে 'ৰ' সমাদৰ বা মান্যাৰ্থে 'ৰ', 'এৰা' আৰু তৃতীয় পুৰুষত-'ক' বা 'এক' প্ৰত্যয় সম্বন্ধবাচক সংজ্ঞা শব্দৰ পিছত ব্যৱহাৰ হয়। পুৰুষবোৰৰ সম্বন্ধ পদটো উল্লেখ নাথাকিলেও সম্বন্ধবাচক শব্দৰ পিছত বহা প্ৰত্যয়ৰ যোগেদি কোন পুৰুষৰ লগত সম্পৰ্ক আছে তাক সহজে বাছি উলিয়াব পাৰি। ইংৰাজীত হ'লে সকলো পুৰুষৰ সম্বন্ধ পদৰ পিছত একে ৰূপেই থাকে। যথা,

| | |
|---|---|
| My father. | Our father. |
| Your father. | His father. |
| Her father. | Their father. |

Father শব্দত কোনো চিন বা প্ৰত্যয় যোগ হোৱা নাই। আন আন ভাৰতীয় ভাষাতো নহয়। কিন্তু অসমীয়াত পুৰুষ নিৰ্দেশক প্ৰত্যয় ব্যৱহাৰ হয়। এইটো অসমীয়া ভাষাৰ বিশিষ্ট নিয়ম। এই প্ৰত্যয়বোৰ সম্বন্ধবাচক বিশেষ্যৰ পিছত স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। তদ্ধিত প্ৰত্যয়ৰ ভিতৰুৱা প্ৰত্যয়।

**৮ ঃ ৪ আই ঃ** প্ৰথম পুৰুষৰ সৰ্বনামৰ সম্বন্ধ পদৰ পিছত অৰ্থাৎ ৬ষ্ঠী বিভক্তিযুক্ত প্ৰথম পুৰুষৰ সৰ্বনামৰ (উভয় বচনৰে) পিছত থকা কিছুমান সম্বন্ধবাচক শব্দৰ লগত 'আই' স্বাৰ্থিক প্ৰত্যয় যোগ হয়। বাপ, বোপা-শব্দ মোৰ বা আমাৰ বোপাই,

| | | |
|---|---|---|
| পিতা | মোৰ বা আমাৰ | পিতাই |
| দাদা | মোৰ বা আমাৰ | দদাই |
| মামা | মোৰ বা আমাৰ | মোমাই |
| কাকা | মোৰ বা আমাৰ | ককাই |
| ভাই | মোৰ বা আমাৰ | ভাই। * |
| মা | মোৰ বা আমাৰ | মা বা মাই বা আই |
| পো | মোৰ বা আমাৰ | পো বা পুতাই |
| জেঠা | মোৰ বা আমাৰ | জেঠাই |

কিন্তু সকলোবোৰ সম্বন্ধবাচক পদৰ পিছত আই যোগ নহয়। যেনে, মোৰ পেহা, আমাৰ খুৰা, মোৰ তাৱৈ, আমাৰ বোৱাৰী, মোৰ ঘৈণী, আমাৰ বেটা, মোৰ বৌ, আমাৰ জী।

**৮ ঃ ৫ ৰ, এৰ ঃ** সম্বন্ধবাচক শব্দ দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থে (উভয় বচনৰ) ৬ষ্ঠী বিভক্তিযুক্ত সৰ্বনামৰ পিছত থাকিলে, সম্বন্ধবাচক সংজ্ঞা শব্দটোৰ পিছত 'ৰ' বা 'এৰ' যোগ হয়। সম্বন্ধবাচক সংজ্ঞা শব্দটো আ-কাৰান্ত হ'লে 'ৰ' আৰু 'আ' ভিন্ন আন স্বৰৰ হ'লে 'এৰ'ৰ প্ৰত্যয় হয়। যেনে,

তোৰ বা তহঁতৰ পিতাৰ, মাৰ, পেহাৰ, মহাৰ, জেঠাৰ।

কিন্তু তোৰ বা তহঁতৰ আয়েৰ, পেহীয়েৰ, মাহীয়েৰ, বৌৱেৰ, আবুৱেৰ। তোৰ বা তহঁতৰ বাপেৰ, পুতেৰ, জীয়েৰ, ভনীয়েৰ ইত্যাদি।

**৮ ঃ ৬ ৰা, এৰা ঃ** সাধাৰণাৰ্থে দ্বিতীয় পুৰুষৰ সৰ্বনাম পদ সম্বন্ধ পদত থাকিলে, তাৰ পিছত থকা সম্বন্ধবাচক আ-কাৰান্ত সংজ্ঞা শব্দৰ পিছত 'ৰা' আৰু আ-কাৰান্তৰ বাহিৰে আনবিলাকত 'এৰা' প্ৰত্যয় যোগ হয়। যথা,

তোমাৰ বা তোমালোকৰ পিতাৰা, মাৰা, পেহাৰা, মহাৰা, জেঠাৰা।

কিন্তু তোমাৰ, তোমালোকৰ আয়েৰা, পেহীয়েৰা, মাহীয়েৰা, বাপেৰা, ভায়েৰা, ভনীয়েৰা, জীয়েৰা, বৌয়েৰা, পুতেৰা, আবুয়েৰা, পৈয়াৰা ইত্যাদি।

**৮ ঃ ৭ ক, এক ঃ** তৃতীয় পুৰুষৰ ৬ষ্ঠী বিভক্তিযুক্ত নাম পদৰ পিছত সম্বন্ধবাচক কোনো শব্দ থাকিলে, সেই সম্বন্ধবাচক শব্দটো অ-কাৰান্ত হ'লে 'ক' আৰু 'আৰ' বাহিৰে আন স্বৰ থাকিলে 'এক' প্ৰত্যয় যোগ কৰা হয়। যেনে,

---

* স্বৰ্গীয় কালিৰাম মেধিয়ে ভৈয়াই শব্দ উল্লেখ কৰিছিল।

DAILY ASSAM



তাৰ, তাইৰ বা সিহঁতৰ পিতাক, মাক, পেহাক, মহাক, জেঠাক।

কিন্তু তাৰ, তাঁইৰ বা সিহঁতৰ আয়েক, পেহীয়েক, মাহীয়েক, বাপেক, পুতেক, ভায়েক, ভনীয়েক, জীয়েক, বৌয়েক, আবুয়েক, পৈয়েক, ঘৈণীয়েক। সম্ভ্ৰমতো 'এক' প্ৰত্যয়েই যোগ হয়। যথা,

আপোনাৰ বা তেখেতৰ বা এখেতৰ ভায়েক, ভনীয়েক, দদায়েক, বায়েক ইত্যাদি।

৮ ঃ ৮ ই, ঈ বা ঐ-কাৰান্ত সম্বন্ধবাচক শব্দৰ পিছত এৰ, এৰা এক, প্ৰত্যয় যোগ কৰিলে য়-শ্ৰুতি আগম হয়। যথা,

ভাই-ভায়েৰ, ভায়েৰা, ভায়েক ; ভনী-ভনীয়েৰ, ভনীয়েৰা, ভনীয়েক ; আমৈ-আমৈয়েৰ, আমৈয়েৰা, আমৈয়েক ; তাৱৈ-তাৱৈয়েৰ, তাৱৈয়েৰা, তাৱৈয়েক ; ভিনিহি-ভিনিহিয়েৰ, ভিনিহিয়েৰা, ভিনিহিয়েক ; পৈ-পৈয়েৰ, পৈয়েৰা, পৈয়েক।

৮ ঃ ৯ উ ঔ-কাৰান্ত সম্বন্ধবাচক শব্দৰ পিছত এৰ, এৰা, এক প্ৰত্যয় যোগ কৰিলে ৱ-শ্ৰুতি আগম হয়। যথা,

আবু— আবুৱেৰ আবুৱেৰা— আবুৱেক।
বৌ—বৌৱেৰ বৌৱেৰা—বৌৱেক।
শাহু— শাহুৱেৰ শাহুৱেৰা—শাহুৱেক।

৮ ঃ ১০ সম্বন্ধবাচক বিশেষ্য শব্দৰ পিছত পুৰুষবাচক প্ৰত্যয় যোগ হোৱাৰ পিছতহে কাৰক বিভক্তি যোগ হৈ পদ হয়। যেনে,

তোৰ বায়েৰক এই টকাটো দে। বাই + এৰ = বায়েৰ + ক (২য়া বিভক্তি) = বায়েৰক।

পিতাকক এই কথা নক'বা। অৰ্থাৎ তাৰ পিতাকক। পিতা + ক = পিতাক + ক (২য়া বিভক্তি)।

পিতাই আজিয়েই চিঠিখন লিখিব। অৰ্থাৎ মোৰ পিতাই।

৮ ঃ ১১ সম্বন্ধবাচক বিশেষ্য শব্দৰ লগত পুৰুষবাচক প্ৰত্যয় যোগ্ৰ কৰাৰ পিছতহে বহুবচনবোধক প্ৰত্যয় বা নিৰ্দেশক প্ৰত্যয় আদি ব্যৱহাৰ কৰা হয়। যেনে,

বহুবচন— তোমালোকৰ ভায়েৰাহঁতৰ হাতত টকাখিনি দিবা।

সিহঁতৰ মাকহঁতে চকু দিব।

নিৰ্দেশক— তাৰ মাকজনীলৈ পুতৌ জন্মে। তোমাৰ ভায়েৰাজনে পৰীক্ষা দিবনে?

তোৰ বায়েৰাজনীয়ে পৰীক্ষা দিবনে?